18.4 বৃদ্ধি আৰু বিকাশত প্ৰভাৱ পেলোৱা কাৰকসমূহ ঃ

(i) বংশগতি ঃ ই এক পদ্ধতি, যাৰ দ্বাৰা শিশু জন্ম হোৱাৰ আগতে পিতৃ মাতৃৰ পৰা সন্‌তানলৈ দৈহিক আকৃতি আৰু বৈশিষ্ট্যসমূহ সঞ্চালিত হয়। এইদৰে দৈহিক আকৃতি, যেনে— ছাল আৰু চকুৰ ৰং, উচ্চতা, শৰীৰ গঠন, বুদ্ধিমত্তা আদি নির্দিষ্ট হৈ থাকে আৰু কোনেও এইবোৰৰ সীমা অতিক্ৰম কৰিব বা সলনি কৰিব নোৱাৰে।

(ii) প্ৰাক্-প্ৰসূতি কালৰ পৰিবেশ ঃ এই পৰিবেশ হৈছে মাতৃগৰ্ভত ভ্ৰূণৰ পৰিবেশ। যদি প্ৰসূতি মাতৃগৰাকীয়ে কম পুষ্টি পায়, আৱেগিকভাৱে অস্থিৰ হয়, ধুমপান কৰে, মদপান কৰে বা কেনে ঔষধ গ্ৰহণ কৰে বা কোনো ৰোগত ভুগিছে, তেতিয়া শিশুৰ বৃদ্ধিত ইয়াৰ কু-প্ৰভাৱ পৰে।

(iii) পুষ্টি ঃ শিশুৰ সুস্থ বিকাশৰ বাবে উপযুক্ত পুষ্টিৰ অতি প্ৰয়োজন। অপুষ্টিত ভোগা শিশুৰ বৃদ্ধিত বাধা পায় বা লেহেমীয়া গতিত হয়।

(iv) বুদ্ধিমত্তা ঃ খৰতকীয়া বিকাশৰ সৈতে তীক্ষ্ণ বুদ্ধিমত্তাৰ সম্পৰ্ক আছে আৰু বিভিন্ন দিশৰ বিকাশত বাধা পালে বুদ্ধিমত্তাও নিম্নখাপৰ হয়।

(v) ঘৰৰ আৱেগিক পৰিবেশ ঃ যদিহে ঘৰত সঘনাই কাজিয়া/মতানৈক্য হয় বা যদি শিশুৰ যথেষ্ট পৰিমাণে মৰম-চেনেহ, আদৰ-যতন নকৰে বা শিশুক শাৰীৰিক/মানসিকভাৱে অপমান কৰে, তেতিয়া এইবোৰ শিশুৰ বিকাশত গভীৰভাৱে প্ৰভাৱ পেলায়।

(vi) শিশুৰ স্বাস্থ্য ঃ যদিহে শিশু সঘনাই বেমাৰ হয়, অন্য কিছুমান অসুস্থতাত ভোগে, শাৰীৰিক অসমৰ্থতা বা অন্তঃক্ষৰী কাৰ্য্যত ব্যাঘাট হ'লে স্বাভাৱিক বিকাশত অসুবিধা হয়।

(vii) উৎসাহ-উদ্দীপনাৰ স্তৰ ঃ পৰিবেশে শিশুক কিমান পৰিমাণৰ উৎসাহ-উদ্দীপনা যোগাব পাৰিছে অৰ্থাৎ পৰিবেশ জানিবৰ বাবে সুবিধা, অন্যান্য ব্যক্তিৰ সৈতে পাৰস্পৰিক ক্ৰিয়াৰ সুবিধা, আদি সকলোৱে বিকাশৰ হাতত প্ৰভাৱ পেলায়।

(viii) আৰ্থ-সামাজিক অৱস্থা ঃ ইও বিকাশৰ হাৰ নিৰ্ণয় কৰে। অৰ্থাৎ পুষ্টিৰ ধৰণ, উদ্দীপক, সা-সুবিধা, সুযোগ, বংশাণুক্ৰমিক সামৰ্থতা আদি শিশুৱে কিদৰে পাইছে তাৰ ওপৰতো বিকাশৰ পৰিমাণ নিৰ্ভৰ কৰে।

(ix) লিংগ ঃ সকলো শিশুৱে বিকাশৰ একে ধাৰা অনুসৰণ কৰে। অৱশ্যে কিছুমান কৌশল ল'ৰাতকৈ ছোৱালীৰ ক্ষেত্ৰত দ্ৰুত হাৰত হয় আৰু অন্যান্য কিছুমান কৌশল ছোৱালীতকৈ ল'ৰাৰ ক্ষেত্ৰত খৰতীয়াকৈ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে, ভাষা আয়ত্বকৰণ ছোৱালীৰ ক্ষেত্ৰত দ্ৰুত হয় আৰু জপিওৱা, দলিওৱা, ধৰা আদি কৌশল ল'ৰাৰ ক্ষেত্ৰত খৰতকীয়া হয়। লিংগও হৈছে এটা কাৰক, যিয়ে শিশুৰ শাৰীৰিক বিকাশৰ সম্ভাৱনীয়তাৰ ক্ষেত্ৰত সিদ্ধান্ত লয়। সাধাৰণতে, ছোৱালীতকৈ ল'ৰাবোৰ ওখ, গধুৰ আৰু মাংসপেশীযুক্ত হয়।